জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
২৬ জুন ২০২৬ ■ শুকুৰবাৰ ■ ১১ আহাৰ, ১৯৪৮ শক

কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান

স্বায়ত্তশাসিত মহাবিদ্যালয়সমূহে গৱেষণামূলক কৰ্মৰাজিক অধিক গুৰুত্ব দিয়া উচিত ঃ ড° দাস

দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৫ জুন ঃ স্বায়ত্তশাসিত মহাবিদ্যালয়সমূহে গৱেষণামূলক কৰ্মৰাজিক অধিক গুৰুত্ব দিয়া উচিত। গৱেষণামূলক কৰ্মৰাজিৰ বাবে মহাবিদ্যালয়সমূত শৈক্ষিক পৰিৱেশ, আন্তঃগাঁথনি, প্ৰয়োজন অনুসৰি অনুদান, বৃত্তিমূলক আঁচনি ৰূপায়ণত মনোনিৱেশ কৰা উচিত। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যৌথ উদ্যোগত আৰু সংস্কৃত, দৰ্শন বিভাগৰ সহযোগত হাইব্ৰীড মাধ্যমত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা গৱেষণা আৰু উন্নয়ন বিভাগৰ ডীন ড° পংকজ দাসে আজি এইদৰে কয়। ড° দাসে কয়— ইয়াৰ বাবে যাৰতীয় ব্যৱস্থাসমূহ সময়সাপেক্ষে কৰ্তৃপক্ষ অথবা বিভাগীয় মুৰব্বীসকলে লোৱা উচিত। 'স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ গৱেষণাৰ পৰিস্থিতিতন্ত্ৰ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড° দাসে কয়— স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰমতে গৱেষণাধৰ্মী বিষয়বস্তু অন্তৰ্ভূক্ত কৰা উচিত। তেওঁ লগতে ভিন্ন বিষয়ক তথা সহ যোগাত্মক কাৰ্যপন্থা অৱলম্বনত গুৰুত্ব প্ৰদান কৰে। শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সমন্বয়ক অধ্যাপিকা বিনী শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কয়— এজন শিক্ষকে শ্ৰেণীকোঠা পৰিচালনা কৰাতো জনাৰ দৰকাৰ। প্ৰশিক্ষণে এজন শিক্ষকক শ্ৰেণীকোঠাৰ শৃংখলা ৰক্ষা কৰা, সময় ব্যৱস্থাপনা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ধণাত্মক চিন্তা গঢ়ি তোলাত সহায় কৰে। অধ্যক্ষগৰাকীয়ে কয়— শিশু আৰু কিশোৰ-কিশোৰীৰ মনস্তত্ত্ব বুজাত সহায় কৰে প্ৰশিক্ষণে। তেওঁ কয়— শিক্ষাৰ্থীৰ সৃষ্টিশীলতা বৃদ্ধিত প্ৰশিক্ষিত শিক্ষকে সহায় কৰিব পাৰে। শিক্ষকৰ প্ৰশিক্ষণৰ মাজেদি অভিভাৱক, সহকৰ্মী, শিক্ষানুষ্ঠানৰ প্ৰশাসনৰ স'তেও সু-সম্পৰ্ক গঢ়াত সহায় কৰে। অধ্যক্ষ ড° শইকীয়াই কয়— প্ৰশিক্ষণে শিক্ষকৰ যোগাযোগ দক্ষতা বৃদ্ধি কৰিব পাৰে। শিক্ষা ব্যৱস্থাৰ সামগ্ৰীক গুণগত মান উন্নয়নৰ বাবে শিক্ষক প্ৰশিক্ষণেই আটাইতকৈ ডাঙৰ সঁজুলি বুলি মত প্ৰকাশ কৰি কয়— এজন প্ৰশিক্ষিত শিক্ষকেহে এখন শিক্ষানুষ্ঠানক উৎকৃষ্ট মানদণ্ডলৈ লৈ যাব পাৰে। আজিৰ এই বক্তৃতানুষ্ঠানৰ দৰে কাৰ্যসূচীয়ে মহাবিদ্যালয়খনৰ লগতে দেশ আৰু সমাজৰ উত্তৰণৰ স'তে জড়িত থকা শিক্ষকসকলৰ দক্ষতা, গুণগত চিন্তা, দৰ্শন বৃদ্ধি কৰিব বুলি নিশ্চিতভাৱে ক'ব পাৰি।

অনুষ্ঠানটিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়া, উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সমন্বয়ক ড° মৌচুমী হাজৰিকাৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে সংস্কৃত বিভাগৰ অধ্যাপিকা ড° চয়নিকা গোস্বামীয়ে।

ভূমি সংক্ৰান্তীয় কাম-কাজৰ নামত ভুৱা ফোন কল আৰু প্ৰৱঞ্চনা

ৰাইজক সাৱধানতা অৱলম্বনৰ আহ্বান জনাই বঙাইগাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সতৰ্কতামূলক জাননী

দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৫ জুন ঃ বঙাইগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত সৰ্বসাধাৰণ ৰাইজক মাটিৰ কাম-কাজৰ নামত হ'ব পৰা সম্ভাব্য অৰ্থনৈতিক প্ৰৱঞ্চনা আৰু জালিয়াতিৰ পৰা সুৰক্ষিত ৰখাৰ উদ্দেশ্যে জিলা প্ৰশাসনৰ নিৰ্দেশ মৰ্মে বঙাইগাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে এক সতৰ্কতামূলক জাননী জাৰি কৰিছে। বঙাইগাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ এই চৰকাৰী জাননীৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজক এক বিশেষ শ্ৰেণীৰ প্ৰৱঞ্চক চক্ৰৰ সক্ৰিয়তাৰ সন্দৰ্ভত সজাগ কৰি দিয়া হৈছে। জাননীখনত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে একাংশ ভুৱা ব্যক্তিয়ে মাটিৰ কাম কৰিবলৈ অহা নিৰীহ নাগৰিকসকলক লক্ষ্য কৰি লয়। প্ৰৱঞ্চক চক্ৰই সাধাৰণ লোকসকলক ফোন কৰি বা বিভিন্ন উপায়েৰে যোগাযোগ কৰি "মাটি নামজাৰি কৰি দিম", "মাটিৰ পট্টা উলিয়াই দিম", "মাটি ক্ৰয়-বিক্ৰয় বা হস্তান্তৰ কৰাৰ নামত অনাপত্তি বিহীন প্ৰমাণপত্ৰ উলিয়াই দিম" অথবা 'মাটিৰ আন যিকোনো ধৰণৰ কাম অতি সোনকালে কৰি দিম' বুলি ভুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰি আহিছে। এনে প্ৰলোভনৰ আশ্ৰয় লৈ প্ৰৱঞ্চক চক্ৰই সাধাৰণ জনতাক বিভিন্ন লিংক বা কিউআৰ ক'ড শ্বেয়াৰ কৰি একাউণ্টৰ পৰা টকা কাঢ়ি লোৱাৰ দৰে হীন কৌশল অৱলম্বন কৰিছে। এই সন্দৰ্ভত বঙাইগাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ তৰফৰ পৰা দৃঢ়তাৰে স্পষ্ট কৰি দিয়া হৈছে যে ৰাজহ চক্ৰ কাৰ্যালয়ৰ ফালৰ পৰা কোনো ধৰণৰ চৰকাৰী কামৰ নামত এনে ধৰণৰ ফোন কল কৰা নহয়। সেয়েহে, এনে কোনো ফোন কল পালে বা কিউআৰ ক'ডৰ জৰিয়তে ধন দাবী কৰিলে তৎক্ষণাৎ ওচৰৰ থানাত জনাবলৈ ৰাইজক অনুৰোধ জনাইছে। ভূমি সংক্ৰান্তীয় কামৰ বাবে চক্ৰ কাৰ্যালয়লৈ অহা প্ৰতিগৰাকী নাগৰিকক সাৱধানতা অৱলম্বন কৰিবলৈ আৰু এনে ধৰণৰ ভুৱা প্ৰতিশ্ৰুতি তথা প্ৰৱঞ্চক চক্ৰৰ জালৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনোৱা হয়।

AUTHUM অথাম ইনভেষ্টমেণ্ট এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড
পঞ্জীয়নভুক্ত কাৰ্যালয় ঃ ৭০৭, বাহেজা চেণ্টাৰ, ফ্ৰী প্ৰেছ জাৰ্নেল ৰোড, নাৰিমন পইণ্ট, মুম্বাই-২১, দূৰভাষ ঃ (০২২) ৬৭৪৭ ২১১৭, ফেক্স ঃ (০২২) ৬৭৪৭ ২১১৮, ই-মেইল ঃ Info@authum.com
শাখা কাৰ্যালয় ঃ ৩/২, ৭৫চি, পাৰ্ক ষ্ট্ৰীট, কামধেনু বিল্ডিং, কলকাতা-৭০০০১৬
দাবী জাননী
যিহেতু তলত উল্লেখ কৰা ঋণগ্ৰহীতা/সহ-ঋণগ্ৰহীতা/জামিনদাৰ/বন্ধকদাতাসকলে অথাম ইনভেষ্টমেণ্ট এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড' (AIIL)-ৰ পৰা বিত্তীয় সাহায্য গ্ৰহণ কৰিছিল (১০.০৫.২০২৪ তাৰিখৰ এনচিএলটিৰ আদেশ মৰ্মে বিলায়েঞ্চ কমাৰ্চিয়েল ফাইনেঞ্চ লিমিটেড (RCFL)-ৰ ঋণধান ব্যৱসায় পৃথকীকৰণৰ ফলত গঠিত কোম্পানী), আমি এইটো ব্যক্ত কৰোঁ যে বিত্তীয় সাহায্য লাভ কৰাৰ পিছতো ঋণগ্ৰহীতা/জামিনদাৰ/বন্ধকদাতাসকলে নিৰ্ধাৰিত তাৰিখ অনুসৰি সুত আৰু মূলধন পৰিশোধৰ ক্ষেত্ৰত বিভিন্ন ডিফল্ট কৰিছে। নেচনেল হাউচিং বেংকৰ দ্বাৰা জাৰি কৰা সম্পত্তি শ্ৰেণীবিভাজন সম্পৰ্কীয় নিৰ্দেশনা অনুসৰি, তলত উল্লেখ কৰা প্ৰতিটো নিৰ্দিষ্ট তাৰিখত AIIL-ৰ একাউণ্টত এই একাউণ্টসমূহ অনুত্পাদনশীল সম্পত্তি হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। ইয়াৰ পৰিণতিত, বিত্তীয় সম্পত্তিৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্গঠন তথা প্ৰতিভূতি স্বাৰ্থ বলৱৎকৰণ আইন, ২০০২-ৰ অধীনত AIIL-ৰ প্ৰাধিকৃত বিষয়াই উক্ত আইনৰ ধাৰা ১৩(১২)-ৰ সৈতে পঠিত প্ৰতিভূতি স্বাৰ্থ (বলৱৎকৰণ) নিয়মাৱলী, ২০০২-ৰ নিয়ম ৩-ৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি ছাৰফেচি আইন, ২০০২-ৰ ধাৰা ১৩(২) অনুসৰি তলত উল্লেখ কৰা তাৰিখসমূহত দাবী জাননী জাৰি কৰিছিল। উক্ত জাননীযোগে নিম্নলিখিত ঋণগ্ৰহীতা/জামিনদাৰ/বন্ধকদাতাসকলক জাননীত উল্লিখিত ধনৰাশি, তাৰ ওপৰত চুক্তিভিত্তিক হাৰত হ'বলগীয়া সুত আৰু আনুষংগিক খৰচ, মাচুল আদি সম্পূৰ্ণ পৰিশোধৰ তাৰিখলৈকে, জাননী লাভ কৰা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনোৱা হৈছিল। তেওঁলোকৰ শেষ জ্ঞাত ঠিকানাত প্ৰেৰণ কৰা জাননীসমূহ প্ৰদান কৰিব নোৱাৰি ঘূৰি আহিছে আৰু সেইবাবেই এই ৰাজহুৱা জাননীৰ জৰিয়তে তেওঁলোকক ইয়াৰ দ্বাৰা অৱগত কৰা হ'ল।

ক্ৰ. নং	ঋণ নম্বৰ / ঋণগ্ৰহীতাৰ নাম / ঠিকনা	সহ-ঋণগ্ৰহীতা আৰু জামিনদাৰৰ নাম / সঞ্চালকৰ নাম	এনপিএ হোৱাৰ তাৰিখ	দাবী জাননীৰ তাৰিখ	বকেয়া ধনৰাশি	ঋণৰ পৰিমাণ
১	লোন নং ঃ RLALGUW000346871 গুণজিৎ দাস গাঁও ঃ ৰহাধৰ বৰকলা, ডাকঘৰ ঃ পাঠশালা, অসম, পিন ঃ ৭৮১৩২৫	বন্দনা দাস	৩০.১১.২০২০	০১.০৬.২০২৬	৩১,৬৮,০৫৪.০০/- টকা (একত্ৰিশ লাখ আঠষষ্ঠি হাজাৰ চৌৱান্ন)	১৫,০০,০০০/- টকা (পোন্ধৰ লাখ)
বন্ধকীকৃত সম্পত্তিৰ বিৱৰণ ঃ বৰপেটা জিলাৰ, বজালী ৰাজহ চক্ৰৰ অন্তৰ্গত উত্তৰ বজালী মৌজাৰ খেৰাজ ম্যাদীৰ ৰাজহ গাঁও - বহাধৰ বৰকলাৰ ১৬২ নম্বৰ কে.পি. পট্টা আৰু ৩৪৯ নম্বৰ দাগেৰে আবৃত ১ কঠা ১০ লেচা কালিৰ সম্পূৰ্ণ মাটিভাগ আৰু তাৰ ওপৰত থকা আৱাসিক ঘৰসহ। যাৰ চাৰিসীমা ঃ উত্তৰে ঃ গড়কাণ্ডানি পথ, দক্ষিণে ঃ বন্দনা দাস আৰু অন্যান্য, পূবে ঃ চন্দ্ৰ দাস, পশ্চিমে ঃ যজ্ঞৰাম দাস					
২	লোন নং ঃ RLELGUW000395125 হেমন্ত বৰ্মন গাঁও ঃ টাউন দিহজাৰী, থানা ঃ ঘগ্ৰাপাৰ, মহকুমা ঃ নলবাৰী	হেমন্ত বৰ্মন	০১.১২.২০১৯	০১.০৬.২০২৬	৩১,২৬,৪২৭.০০/- টকা (একত্ৰিশ লাখ চাব্বিছ হাজাৰ চাৰিশ সাতইশ)	১০,০০,০০০/- টকা (দহ লাখ)
বন্ধকীকৃত সম্পত্তিৰ বিৱৰণ ঃ নলবাৰী জিলাৰ, ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত পশ্চিম বনভাগ মৌজাৰ খেৰাজ ম্যাদীৰ দিহজাৰী গাঁৱত অবস্থিত ১০৯ নম্বৰ পট্টা আৰু ৫৮ নম্বৰ দাগেৰে আবৃত ১ বিঘা (১.৩.৩৮ আৰ) পৰিমাণৰ সম্পূৰ্ণ মাটিভাগ। যাৰ চাৰিসীমা ঃ উত্তৰে ঃ নবেন বৰ্মা আৰু পুলক গৈবহ, দক্ষিণে ঃ বাস্তা, পূবে ঃ নবেন বৰ্মা, পশ্চিমে ঃ আদিত্য বৰ্মন					
৩	লোন নং ঃ RLALGUW000336215 ইক্ৰামুদ্দিন আহমেদ গাঁও/চহৰ ঃ বৰকুকুৰীজা, কামৰূপ, অসম, ৰঙিয়া, পিন ঃ ৭৮১৩৫৪	১. নেকিবুদ্দিন আহমেদ ২. জেছমিন আৰা বেগম	৩১.০১.২০২০	০১.০৬.২০২৬	৩০,৫৮,০১২.০০/- টকা (ত্ৰিশ লাখ আঠাপন্ন হাজাৰ বাৰ)	১৫,০০,০০০/- টকা (পোন্ধৰ লাখ)
বন্ধকীকৃত সম্পত্তিৰ বিৱৰণ ঃ কামৰূপ জিলাৰ, ৰঙিয়া ৰাজহ চক্ৰ আৰু উপ-পঞ্জীয়ক কাৰ্যালয়ৰ অন্তৰ্গত পাঞ্জুৰী মৌজাৰ ৰঙিয়া টাউন ৰাজহ গাঁৱৰ ২ নম্বৰ বাৰ্ডৰ ৰঙিয়া টাউনত অবস্থিত ২০৬ নম্বৰ খেৰাজ ম্যাদী পত্তা আৰু ৭২০ নম্বৰ দাগেৰে আবৃত ২ কঠা ১০ লেচা কালিৰ সম্পূৰ্ণ মাটিভাগ। যাৰ চাৰিসীমা ঃ উত্তৰে ঃ মালিকৰ নিজা মাটি, দক্ষিণে ঃ ছফি আহমেদৰ মাটি, পূবে ঃ গৌৰী কলিতাৰ মাটি, পশ্চিমে ঃ মাজিৰুল আলীৰ মাটি					
৪	লোন নং ঃ RLALGUW000353122 মনোজ কুমাৰ দত্ত গাঁও ঃ বৰকুৰা, থানা ঃ নলবাৰী, ডাকঘৰ ঃ বালিকুৰীয়া, অসম, নলবাৰী, পিন ঃ ৭৮১৩৪১	জয়া দত্ত	০১.১২.২০১৯	০১.০৬.২০২৬	২৭,২৩,৩৫০.০০/- টকা (সাতাইশ লাখ তেইশ হাজাৰ তিনিশ পঞ্চাশ)	১০,০০,০০০/- টকা (দহ লাখ)
বন্ধকীকৃত সম্পত্তিৰ বিৱৰণ ঃ নলবাৰী জিলাৰ, নলবাৰী থানাৰ অন্তৰ্গত বতাহগিলা মৌজাৰ বৰকুৰা গাঁৱৰ ১৮২ নম্বৰ খেৰাজ ম্যাদী পট্টাৰ ১১৮৩ নম্বৰ দাগেৰে আবৃত ১ কঠা মাটি আৰু ১১৮৪ নম্বৰ দাগেৰে আবৃত ৫ লেচা মাটি, সৰ্বমুঠ ১ কঠা ৫ লেচা কালিৰ সম্পূৰ্ণ মাটিভাগ আৰু তাৰ ওপৰত থকা আৱাসিক ঘৰসহ। যাৰ চাৰিসীমা ঃ উত্তৰে ঃ বাস্তা, দক্ষিণে ঃ জয়মতী, পূবে ঃ শম্ভু নাথ দত্ত, পশ্চিমে ঃ মাধৱ					
৫	লোন নং ঃ RLALGUW000352797 উৎপল কলিতা গাঁও ঃ হহবা, ডাকঘৰ ঃ পুঠিমাৰী, থানা ঃ কমলপুৰ, জিলা ঃ কামৰূপ, ৰঙিয়া, অসম, গুৱাহাটী, পিন ঃ ৭৮১৩৮০	প্ৰফুল্লী কলিতা	৩০.০৬.২০২২	০১.০৬.২০২৬	২৩,৭২,২১৪.০০/- টকা (তেইশ লাখ বাসত্তৰ হাজাৰ দুশ চৈধ্য)	১৫,০০,০০০/- টকা (পোন্ধৰ লাখ)
বন্ধকীকৃত সম্পত্তিৰ বিৱৰণ ঃ কামৰূপ জিলাৰ, কমলপুৰ থানা, ৰঙিয়া উপ-পঞ্জীয়ক কাৰ্যালয়ৰ অন্তৰ্গতি পুবপাৰ মৌজাৰ হহবা গাঁৱৰ ১৪৮ নম্বৰ খেৰাজ ম্যাদী পট্টাৰ ৩৫১ নম্বৰ দাগৰ সৰ্বমুঠ ৩ বিঘা ১ কঠা ১৫ লেচা মাটিৰ ভিতৰত ২ বিঘা পৰিমাণৰ মাটিভাগ। যাৰ চাৰিসীমা ঃ উত্তৰে ঃ বাণেশ্বৰ, দক্ষিণে ঃ গুণৰাম, পূবে ঃ গুণৰাম, পশ্চিমে ঃ নন্দ আৰু অন্যান্য					

ওপৰত উল্লেখ কৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত, ইয়াৰ দ্বাৰা উক্ত ঋণগ্ৰহীতা, সহ-ঋণগ্ৰহীতা আৰু/অথবা তেওঁলোকক জামিনদাতাসকলক (য'ত প্ৰযোজ্য হয়) এই জাননী প্ৰকাশ পোৱাৰ ৬০ দিনৰ ভিতৰত ওপৰত উল্লেখ কৰা বকেয়া ধনৰাশিৰ লগতে ভৱিষ্যতৰ সুত আৰু প্ৰযোজ্য খৰচসমূহ পৰিশোধ কৰিবলৈ জাননী দিয়া হ'ল। ইয়াৰ ব্যৰ্থ হ'লে, এই জাননীৰ তাৰিখৰ পৰা ৬০ দিনৰ সময়সীমা উকলি যোৱাৰ পিছত সুৰক্ষিত সম্পত্তিসমূহৰ বিৰুদ্ধে পৰবৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব, যাৰ ভিতৰত বিত্তীয় সম্পত্তিৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্গঠন তথা প্ৰতিভূতি স্বাৰ্থ বলৱৎকৰণ আইন, ২০০২-ৰ ১৩(৪) ধাৰা আৰু ইয়াৰ অধীনত প্ৰযোজ্য নিয়মাৱলীৰ মৰ্মে ঋণগ্ৰহীতা আৰু বন্ধকদাতাসকলৰ সুৰক্ষিত সম্পত্তিসমূহ নিজৰ দখললৈ লোৱাটো অন্তৰ্ভুক্ত থাকিব।

অনুগ্ৰহ কৰি মন কৰিব যে উক্ত আইনৰ ১৩(১৩) ধাৰা অনুসৰি, কোনো ঋণগ্ৰহীতাই সুৰক্ষিত পাওনাদাৰৰ পূৰ্বৰ লিখিত সন্মতি অবিহনে জাননীত উল্লেখ থকা তেওঁৰ কোনো সুৰক্ষিত সম্পত্তি বিক্ৰী, লীজ বা অন্য কোনো উপায়েৰে হস্তান্তৰ কৰিব নোৱাৰিব।

তাৰিখ ঃ ২৬.০৬.২০২৬ / স্থান ঃ অসম — প্ৰাধিকৃত বিষয়া

যোৰহাটত লোকপিয়ল ২০২৭ৰ ক্ষেত্ৰ প্ৰশিক্ষকসকলৰ তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী

দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৫ জুন ঃ যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ অন্তৰ্গত 'গৃহ তালিকাভুক্তি আৰু গৃহ গণনা'বিষয়ক ক্ষেত্ৰ প্ৰশিক্ষকসকলৰ তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সফলতাৰে সামৰণি পৰে। প্ৰশিক্ষণৰ অন্তিম দিনটোৰ কাৰ্যসূচীত ধাৰণাগত দিশসমূহৰ সন্দেহ দূৰীকৰণৰ আলোচনাৰে আৰম্ভ হয়। ইয়াৰ পিছতে এক ব্যৱহাৰিক অধিৱেশন অনুষ্ঠিত কৰা হয়, য'ত ক্ষেত্ৰ প্ৰশিক্ষকসকলক ওচৰৰ এটা আৱাসিক এলেকালৈ লৈ গৈ লোকপিয়ল সমীক্ষা প্ৰদৰ্শন কৰা হয়। কাৰ্যসূচীৰ সামৰণিত প্ৰশিক্ষাৰ্থীসকলৰ পৰা প্ৰশিক্ষণ সন্দৰ্ভত গঠনমূলক মতামত গ্ৰহণ কৰা হয়। ইয়াৰ উপৰি, ৰাজহ চক্ৰ বিষয়াসকল আৰু প্ৰশিক্ষাৰ্থীসকলৰ মাজত পৰিচয় পৰ্ব অনুষ্ঠিত হয়। শেষত প্ৰমাণপত্ৰ বিতৰণ সমাৰোহৰ জৰিয়তে এই তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ সফল সামৰণি মৰা হয়। এই গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচীত গুৱাহাটীস্থিত লোকপিয়ল সঞ্চালকালয়ৰ দুজন উচ্চপদস্থ বিষয়া ক্ৰমে— উপ-সঞ্চালক তথা মাষ্টাৰ ট্ৰেইনাৰ প্ৰজ্ঞান জ্যোতি খাউণ্ড আৰু জ্যেষ্ঠ অন্বেষক ঋত্বিক ঋষি ৰাজে সমল ব্যক্তি হিচাপে উপস্থিত থাকে। তেওঁলোকৰ লগতে যোৰহাটৰ সহকাৰী আয়ুক্ত প্ৰণামিকা কোঁৱৰেও মাষ্টাৰ ট্ৰেইনাৰ হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰশিক্ষাৰ্থীসকলে মাষ্টাৰ ট্ৰেইনাৰসকলৰ লগতে সমগ্ৰ লোকপিয়ল দলটোক ধন্যবাদ জ্ঞাপন কৰে। সামৰণী অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা আয়ুক্ত শ্যামল ক্ষেত্ৰ গগৈ, অতিৰিক্ত জিলা আয়ুক্ত দ্যোতিভা বৰা, বিভিন্ন ৰাজহ চক্ৰৰ বিষয়াসকল, সহকাৰী আয়ুক্ত জ্যোতিকণা চেতিয়া, জিলা তথ্য বিষয়া আৰু অন্যান্য সংশ্লিষ্ট বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

AUTHUM অথাম ইনভেষ্টমেণ্ট এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড
পঞ্জীয়নভুক্ত কাৰ্যালয় ঃ ৭০৭, বাহেজা চেণ্টাৰ, ফ্ৰী প্ৰেছ জাৰ্নেল ৰোড, নাৰিমন পইণ্ট, মুম্বাই-২১
দূৰভাষ ঃ (০২২) ৬৭৪৭ ২১১৭, ফেক্স ঃ (০২২) ৬৭৪৭ ২১১৮, ই-মেইল ঃ Info@authum.com
শাখা কাৰ্যালয় ঃ ৩/২, ৭৫চি, পাৰ্ক ষ্ট্ৰীট, কামধেনু বিল্ডিং, কলকাতা-৭০০০১৬
দখল জাননী - পৰিশিষ্ট ৪ (নিয়ম - ৮(১))
(প্ৰতিভূতি স্বাৰ্থ বলৱৎকৰণ নিয়মাৱলী, ২০০২-ৰ নিয়ম ৮(১) অনুসৰি)
যিহেতু নিম্নস্বাক্ষৰকাৰী ব্যক্তিজন **অথাম ইনভেষ্টমেণ্ট এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড ("AIIL")**ৰ প্ৰাধিকৃত বিষয়া (১০.০৫.২০২৪ তাৰিখৰ এনচিএলটিৰ আদেশ মৰ্মে বিলায়েঞ্চ কমাৰ্চিয়েল ফাইনেঞ্চ লিমিটেড (RCFL)-ৰ ঋণদান ব্যৱসায় পৃথকীকৰণৰ ফলত গঠিত কোম্পানী), তেওঁ বিত্তীয় সম্পত্তিৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্গঠন তথা প্ৰতিভূতি স্বাৰ্থ বলৱৎকৰণ আইন, ২০০২-ৰ অধীনত আৰু উক্ত আইনৰ ১৩(২) ধাৰাৰ সৈতে পঠিত প্ৰতিভূতি স্বাৰ্থ (বলৱৎকৰণ) নিয়মাৱলী, ২০০২-ৰ নিয়ম ৩-ৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২৪ ডিচেম্বৰ ২০২৪ তাৰিখে এক দাবী জাননী জাৰি কৰিছিল। উক্ত জাননীযোগে ঋণ নম্বৰ RLALGUW000345084-ৰ ঋণগ্ৰহীতা ১) আইনুল হক ২) ফৰিদা খাতুন, ঠিকনা ঃ গাঁও- ৰামপুৰ, মৌজা- পশ্চিম বৰক্ষেত্ৰী, থানা- মুকালমুৱা, জিলা- নলবাৰী, অসম, নলবাৰী - ৭৮১৩১২- লগতে দাগ নং ৫২, পট্টা নং ৫২, গাঁও- ৰামপুৰ, ডাকঘৰ- ৰামপুৰ, মৌজা- পশ্চিম, অসম, নলবাৰী - ৭৮১৩১২**-ক ২৪-১২-২০২৪ তাৰিখলৈকে জাননীত উল্লেখ থকা বকেয়া ধনৰাশি ক্ৰমে ৪০,৩৫,৪৩৭/-টকা (চল্লিশ লাখ পঁয়ত্ৰিশ হাজাৰ চাৰিশ সাতত্ৰিশ টকা) আৰু তাৰ পিছৰ সুত তথা খৰচসমূহ উক্ত জাননী লাভ কৰা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনাইছিল।
যিহেতু খণগ্ৰহীতা উক্ত ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হ'ল, গতিকে ইয়াৰ দ্বাৰা ঋণগ্ৰহীতা/সহ-ঋণগ্ৰহীতা আৰু সৰ্বসাধাৰণ ৰাইজক অৱগত কৰা হয় যে নিম্নস্বাক্ষৰকাৰীয়ে উক্ত আইনৰ ধাৰা ১৩(৪)-ৰ সৈতে পঠিত উক্ত নিয়মাৱলীৰ নিয়ম ৮-ৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২০২৬ বৰ্ষৰ জুন মাহৰ এই ২০ তাৰিখে** তলত বৰ্ণনা কৰা সম্পত্তিৰ **কায়িক দখল** গ্ৰহণ কৰিছে।
বিশেষকৈ ঋণগ্ৰহীতা/সহ-ঋণগ্ৰহীতা আৰু সৰ্বসাধাৰণ ৰাইজক ইয়াৰ দ্বাৰা সতৰ্ক কৰি দিয়া হৈছে যাতে তেওঁলোকে এই সম্পত্তিৰ সৈতে কোনো ধৰণৰ লেনদেন নকৰে। এই সম্পত্তিৰ সৈতে কৰা যিকোনো লেনদেন **২০ জুন ২০২৬ তাৰিখলৈকে থকা বকেয়া ধন ৫০,৫৭,২৯১/-টকা (পঞ্চাছ লাখ সাতাৱন্ন হাজাৰ দুশ একানব্বৈ টকা)** আৰু তাৰ ওপৰত হ'বলগীয়া সুতৰ বাবে অথাম ইনভেষ্টমেণ্ট এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেডৰ দায়বদ্ধতাৰ অধীন হ'ব। সুৰক্ষিত সম্পত্তিসমূহ মুকলি কৰাৰ বাবে উপলব্ধ সময়সীমাৰ সন্দৰ্ভত ঋণগ্ৰহীতা/সহ-ঋণগ্ৰহীতাৰ দৃষ্টি উক্ত আইনৰ ১৩(৮) ধাৰাৰ প্ৰাৱধানসমূহৰ প্ৰতি আকৰ্ষণ কৰা হ'ল।
স্থাৱৰ সম্পত্তিৰ বিৱৰণ
সম্পত্তিৰ অনুসূচী ঃ নলবাৰী জিলাৰ, পশ্চিম বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত ৰাজহ গাঁও - ৰামপুৰৰ ৫২ নম্বৰ কে.পি. পট্টা আৰু ৫২